**ছাত্ৰী জিৰণিকোঠা বিভাগৰ ফলাফল :**

**ৰিং ( একক )**

চেম্পিয়ন—মিচ্ ৰীণা নাথ

ৰানাৰ্চ আপ- মিচ্ অঞ্জনা ৰাভা ( উঃ মাঃ ১ম )

**ৰিং ( দ্বৈত )**

চেম্পিয়ন— মিচ্ বীণাপাণি নাথ ( উঃ মাঃ ২য় )
মিচ্ ৰীণা নাথ ।

ৰানাৰ্চ আপ—মিচ্ পাৰ্বতী নাথ
মিচ্ অঞ্জনা ৰাভা ( উঃ মাঃ ১ম )

**কেৰম : ( একক )**

চেম্পিয়ন—মিচ্ বিজুমণি শৰ্মা ( উঃ মাঃ ১ম )

ৰানাৰ্চআপ –মিচ্ বীনাপাণি নাথ ( উঃ মাঃ ২য় )

**কেৰম : ( দ্বৈত )**

চেম্পিয়ন—মিচ্ বীণাপাণি নাথ ( উঃ মাঃ ২য় )
মিচ্ ৰীণা নাথ।

বানাৰ্চ আপ—মিচ্ আমিনা বেগম ( উঃ মাঃ ২য় )
মিচ্ লিপিকা ভদ্ৰ ( উঃ মাঃ ২য় )

**বেডমিণ্টম : ( একক )**

চেম্পিয়ন- মিচ্ কাকলি অধিকাৰী ( স্নাঃ ৩য় )

বানাৰ্চ আপ—মিচ্ আমিনা বেগম ( উঃ মাঃ ২য় )

**বেডমিণ্টন : ( দ্বৈত )**

চেম্পিয়ন মিচ্ কাকলি অধিকাৰী [ স্নাঃ ৩য় ]
মিচ্ শিখাৰাণী সৰকাৰ [ স্নাঃ ৩য় ]

ৰানাৰ্চআপ—মিচ্ বীণাপাণি নাথ [ উঃ মাঃ ২য় ]
মিচ্ ৰীণা নাথ ।

**কইনা প্ৰতিযোগিতা :**

১ম—মিচ্ শিখাৰাণী সৰকাৰ [ স্নাঃ ৩য় ]
২য়- মিচ্ মঞ্জু দাস [ উঃ মাঃ ২য় ]
৩য় মিচ্ আমিনা বেগম [ উঃ মাঃ ২য় ]

**চিলাই প্ৰতিযোগিতা :**

১ম মিচ্ সুভদ্ৰা দাস ।
২য়—মিচ্ মধুমিতা দাস । [ স্নাঃ ৩য় ]
মিচ্ মঞ্জুলা ঠাকুৰীয়া [ স্নাঃ ৩য় ]

**পুষ্প সজ্জা :**

১ম—মিচ্ কাকলি অধিকাৰী [ স্নাঃ ৩য় ]
২য়—মিচ্ হীৰামণি দেৱী [ উঃ মাঃ ২য় ]
৩য়—মিচ্ ভৱানী মহন্ত ।

**সমাজ সেৱা বিভাগৰ ফলাফল :**

১ম—দ্বীপেন ৰাভা [ উঃ মাঃ ১ম ]
২য়- বেদান্ত ডেকা [ স্নাঃ ১ম ]
ৰামেশ্বৰ কলিতা [ উঃ মাঃ ১ম ]
৩য়— অম্বুজ কুমাৰ বৰা [ উঃ মাঃ ১ম ]
দীপক ছেত্ৰী [ উঃ মাঃ ১ম ]
প্ৰণৱ বড়ো [ উঃ মাঃ ১ম ]
শংকৰদেৱ কছাৰী [ উঃ মাঃ ১ম ]
কনক বড়ো [ উঃ মাঃ ১ম ]
বিশ্বজিৎ কলিতা [ উঃ মাঃ ১ম ]
ৰুদ্ৰ বড়ো [ উঃ মাঃ ১ম ]
বিৰাজ ৰাভা [ উঃ মাঃ ১ম
প্ৰণয় কলিতা [ স্নাঃ ২য় ]
নিৰঞ্জন মণ্ডল [ স্নাঃ ২য় ]
জীৱেশ্বৰ পাঠক [ উঃ মাঃ ২য় ]
লক্ষ্মণ ৰাভা [ স্নাঃ ১ম ]
দেৱজিৎ দাস [ উঃ মাঃ ১ম ]
সুৰেশ চন্দ্ৰ দাস [ উঃ মাঃ ১ম ]
কামিনী কান্ত ৰাভা [ উঃ মাঃ ১ম ]
দিলীপ কুমাৰ ৰাভা [ উঃ মাঃ ১ম ]

**তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ ফলাফল :**

**আকস্মিক বক্তৃতা :**

১ম—কৈলাশ কলিতা ( স্নাঃ ৩য় )
২য়—নীলিম দত্ত ( উঃ মা ১ম বিঃ )

৩য়--দ্বিগেন বড়ো (উঃ মাঃ ২য়)

**অসমীয়া কবিতা আবৃত্তি ঃ**

১ম মিচ তৰা বায়ন (স্নাঃ ৩য়)
২য় মিচ নীৰা বায়ন (স্নাঃ ১ম)
মিচ্ জৰা ঠাকুৰীয়া (স্নাঃ ২য়)
৩য়—মিচ্ মঞ্জুলা দাস (উঃ মাঃ ১ম)

**ইংৰাজী কবিতা আবৃত্তি ঃ**

১ম মিচ্ জ্যোতিকণা দেৱী (উঃ মাঃ ১ম)
২য়—মিচ্ তৰা বায়ন (স্নাঃ ৩য়)
৩য় শ্ৰীকৈলাশ কলিতা (স্নাঃ ৩য়)

**কুইজ প্ৰতিযোগিতা ঃ**

১ম দল - ৰাজীৱ ৰাভা (উঃ মাঃ ১ম)
হেমন্ত দাস (উঃ মাঃ ১ম)
মেদিনীমোহন ৰাভা (উঃ মাঃ ১ম)
২য় দল—বলেন চৌধুৰী (স্নাঃ ১ম)
কৈলাশ কলিতা (স্নাঃ ৩য়)
নুৰুল ইছলাম (উঃ মাঃ ১ম)
৩য় দল --মৃণাল পাটোৱাৰী (উঃ মাঃ ১ম বি)
[i] নীলিম দত্ত (উঃ মাঃ ১ম বি)
সুব্ৰজিত কাকতি (উঃ মাঃ ১ম বি)
[ii] মিচ্ মঞ্জুলা দাস (উঃ মাঃ ১ম বি)
মিচ্ জ্যোতিকণা দেৱী ( " )
মিচ্ অৰ্চনা দাস ( " )

**সাহিত্য প্ৰতিযোগিতাৰ ফলাফল ঃ**

**অসমীয়া কবিতা ঃ**

১ম—ললিত চন্দ্ৰ ৰাভা (স্নাঃ ২য়)
২য়—অৰুণ চন্দ্ৰ বড়ো (উঃ মাঃ ২য় বিঃ)
কৈলাশ কলিতা (স্নাঃ ৩য়)
৩য়—চবিন কুমাৰ বৈশ্য (উঃ মাঃ ১ম)

**অসমীয়া গল্প ঃ**

১ম—দ্বিজেন্দ্ৰ কুমাৰ দাস (স্নাঃ ১ম)
২য়—ললিত চন্দ্ৰ ৰাভা (স্নাঃ ২য়)
৩য়—হীৰামণি বৰা (উঃ মাঃ ১ম)

**বেটুপাত অঙ্কন ঃ**

নিচুকনি বঁটা ঃ
শ্ৰীবিশ্বজিৎ ৰাভা (উঃ মাঃ ১ম)

**সাংস্কৃতিক বিভাগৰ ফলাফল ঃ**

**বাতৰি পঢ়া ঃ**

১ম মিচ্ তৰা বায়ন [স্নাঃ ৩য়]
২য় মিচ্ নীৰা বায়ন [স্নাঃ ১ম]
৩য় -কৈলাশ কলিতা [স্নাঃ ৩য়]

**বৰগীত ঃ**

১ম—মিচ্ হীৰামণি দেৱী [উঃ মাঃ ২য়]
২য়- মিচ্ পদ্মী পাঠক [স্নাঃ ১ম]
৩য় আদিত্য দাস [উঃ মাঃ ১ম]

**লোকগীত ঃ**

১ম ভূপেন দত্ত [উঃ মাঃ ১ম]
২য়—মিচ্ শেৱালি দাস [উঃ মাঃ ২য়]
৩য়—মিচ্ অৰুণা বৈশ্য [স্নাঃ ২য়]

**ভজন ঃ**

১ম—মিচ্ পদ্মী পাঠক [স্নাঃ ১ম]
২য় কৈলাশ কলিতা [স্নাঃ ৩য়]
৩য়- মিচ্ সাৰদা ৰাভা [উঃ মাঃ ১ম]

**বিহুগীত ঃ**

১ম—সুৰেশ চন্দ্ৰ দাস [উঃ মাঃ ১ম]
২য়—মিচ্ পদ্মী পাঠক [স্নাঃ ১ম]
মিচ্ শেৱালি দাস [উঃ মাঃ ২য়]
৩য়- মিচ্ হীৰামণি দেৱী [উঃ মাঃ ২য়]

**বিয়ানাম :**

১ম—মিচ্ শেৱালি দাস [ উঃ মাঃ ২য় ]
২য়— ,, পদ্মমী পাঠক [ স্নাঃ ১ম ]
৩য়— ,, কল্পনা চৌধুৰী [ উঃ মাঃ ২য় ]

**ভুপেন্দ্ৰ সংগীত :**

১ম—মিচ্ পদ্মমী পাঠক [ স্নাঃ ১ম ]
২য়—শ্ৰীকৈলাশ কলিতা [ স্নাঃ ৩য় ]
৩য়—মিচ্ সাৰদা ৰাভা [ উঃ মাঃ ১ম ]

**ৰাভাগীত :**

১ম—মিচ্ সাৰদা ৰাভা [ উঃ মাঃ ১ম ]
২য়— ,, পদ্মমী পাঠক [ স্নাঃ ১ম ]
৩য়—শ্ৰীসঞ্জয় কুমাৰ ৰাভা [ উ. মাঃ ১ম ]

**জ্যোতি সংগীত :**

১ম—মিচ্ পদ্মমী পাঠক [ স্নাঃ ১ম ]
,, অৰ্চনা দাস [ উঃ মাঃ ১ম ]
২য় শ্ৰীকৈলাশ কলিতা [ স্নাঃ ৩য় ]
৩য়—মিচ্ হীৰামণি দেৱী [ উঃ মাঃ ২য় ]

**বড়ো গীত :**

১ম—ৰূপধৰ বড়ো [ উঃ মাঃ ১ম ]
২য়—মিচ্ অঞ্জলি দৈমাৰী [ উঃ মাঃ ১ম ]
৩য়— ,, হীৰামণি দেৱী [ উঃ মাঃ ২য় ]

**বনগীত :**

১ম—মিচ্ সাৰদা ৰাভা [ উঃ মাঃ ১ম ]
২য়— ,, পদ্মমী পাঠক [ স্নাঃ ১ম ]
,, শেৱালি দাস [ উঃ মাঃ ২য় ]
৩য়—কৈলাশ কলিতা [ স্নাঃ ৩য় ]

**খেয়াল :**

১ম—মিচ্ হীৰামণি দেৱী [ উঃ মাঃ ২য় ]
২য়— ,, পদ্মমী পাঠক [ স্নাঃ ১ম ]
৩য়—ৰতন ঠাকুৰীয়া [ উঃ মাঃ ১ম ]

**গজল :**

১ম—কৈলাশ কলিতা [ স্নাঃ ৩য় ]
২য়—পদ্মমী পাঠক [ স্নাঃ ১ম ]
৩য়—হীৰামণি দেৱী [ উঃ মাঃ ২য় ]

**আধুনিক গীত :**

১ম—মিচ্ হীৰামণি দেৱী [ উঃ মাঃ ২য় ]
২য়—মিচ্ শেৱালি দাস [ উঃ মাঃ ১ম ]
৩য়—কৈলাশ কলিতা [ স্নাঃ ৩য় ]

**বিষ্ণু ৰাভাগীত**

১ম—মিচ্ হীৰামণি দেৱী [ উঃ মাঃ ২য় ]
২য়—কৈলাশ কলিতা [ স্নাঃ ৩য় ]
৩য়—মিচ্ শেৱালি দাস [ উঃ মাঃ ২য় ]

**জিকিৰ :**

১ম—মিচ্ হীৰামণি দেৱী [ উঃ মাঃ ২য় ]
২য়— ,, পদ্মমী পাঠক [ স্নাঃ ১ম ]
৩য়—কৈলাশ কলিতা [ স্নাঃ ৩য় ]

**বিহুনৃত্য : ( একক )**

১ম—মিচ্ মঞ্জুলা দাস [ উঃ মাঃ ১ম ]
২য়—মিচ্ অঞ্জনা ৰাভা [ উঃ মাঃ ১ম ]
৩য়—মিচ্ সুশীলা ৰাভা [ উঃ মাঃ ১ম ]

**আধুনিক নৃত্য :**

১ম—মিচ্ ধৰিত্ৰী গগৈ [ উঃ মাঃ ২য় ]
২য়— ,, মঞ্জুলা দাস [ উঃ মাঃ ১ম ]
৩য়— ,, জোনালী দাস [ উঃ মাঃ ১ম ]

**কৌতুক :**

১ম—দ্বিজেন্দ্ৰ কুমাৰ দাস [ স্নাঃ ১ম ]
২য়—দেৱজিৎ দাস [ উঃ মাঃ ১ম ]
৩য়—ভূদেৱ অধিকাৰী [ উঃ মাঃ ১ম ]

**ভেশ্বশ্চন :**

১ম—মিচ্ শিখাৰাণী সৰকাৰ [ স্নাঃ ৩য় ]

২য় — ,, মঞ্জুলা ঠাকুৰীয়া [ স্নাঃ ২য় ]

৩য়—শ্ৰীদ্বিপেন ৰাভা [ উঃ মাঃ ১ম ]

—মিচ যুথিকা ৰয় [ স্নাঃ ৩য় ]

**যন্ত্ৰ সংগীত:**

১ম— নয়ন কলিতা [ উঃ মাঃ ১ম ]

২য়—দেৱজিৎ দাস [ উঃ মাঃ ১ম ]

কিশোৰী বিয়োগী [ উঃ মাঃ ২য় ]

**মূকাভিনয়:**

১ম—ভূদেৱ অধিকাৰী [ উঃ মাঃ ১ম ]

২য় দেৱজিৎ দাস [ উঃ মাঃ ১ম ]

৩য়—নৱ কুমাৰ কলিতা [ স্নাঃ ৩য় ]

**একক অভিনয়:**

১ম— কামদেৱ কলিতা [ উঃ মাঃ ২য় ]

২য়—দেৱজিৎ দাস [ উঃ মাঃ ১ম ]

সঞ্জয় কুমাৰ ৰাভা [ উঃ মাঃ ১ম বিঃ ]

**একাংক নাট প্ৰতিযোগিতাৰ ফলাফল:**

শ্ৰেষ্ঠ নাটক: "কলঙ্কিত মানৱ"

শ্ৰেষ্ঠ পৰিচালক: হীৰেণ ৰাভা।

শ্ৰেষ্ঠ অভিনেতা: দ্বিজেন্দ্ৰ কুমাৰ দাস [ স্নাঃ ১ম ]

শ্ৰেষ্ঠ অভিনেত্ৰী: বীণাপাণি নাথ [উঃ মাঃ ২য়]

**বছৰৰ সৰ্বশ্ৰেষ্ঠ সংগীত প্ৰতিযোগী:**

মিচ্ পদুমী পাঠক [ স্নাতক প্ৰথম বাৰ্ষিক ]

—:০:—



# ।। সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ।।

প্ৰতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদকৰ পদত মোক ভোট দি জয়যুক্ত কৰা কাৰণে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই আন্ত-ৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

সাধাৰণ সম্পাদকৰ গুৰুদায়িত্ব গ্ৰহণ কৰাৰ কেইদিনমান পাছতে মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ" ছয় দিনীয়া কাৰ্য-সূচীৰে আৰম্ভ হয়। অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰি এই উৎসৱৰ শুভাৰম্ভ কৰে। উৎসৱৰ দিন কেইটাত বিভিন্ন খেলা-ধূলা, গীত-মাত, কুইজ, নাটক, ভেশচন আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অধ্যক্ষৰ সভাপতিত্বত বহা বঁটা বিতৰণী সভাৰে উৎসৱৰ সামৰণি মৰা হয়। বঁটা বিতৰণী সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰিছিল বিকালী মহা-বিদ্যালয়ৰ (ধূপধৰ) অধ্যক্ষ শ্ৰীযুত ব্ৰজেন্দ্ৰ কুমাৰ ৰায় চৌধুৰীদেৱে। তেখেতৰ সাৰুৱা আৰু ৰসাল ভাষণে ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিছিল। এই ছেগতে ছাত্ৰ-ছাত্ৰীৰ হৈ মই তেখেতলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰতিবছৰে পালন কৰি অহাৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী-শিক্ষক-কৰ্ম-চাৰী মিলি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী আই বীণা-পাণিৰ শ্ৰীচৰণত পুষ্পাৰ্ঘ নিবেদন কৰা হয়। তদুপৰি মহাপুৰুষ শ্ৰীশংকৰদেৱৰ তিৰোভাৱ তিথি ভাগৱত পাঠ, নাম-কীৰ্ত্তন আৰু মহাপুৰুষ জনাৰ জীৱনী আৰু কৰ্মৰাজিৰ ওপৰত অনুষ্ঠিত কৰা আকস্মিক বক্তৃতা প্ৰতিযোগিতা আদি বিভিন্ন কাৰ্য্য-সূচীৰে পালন কৰা হয়।

এই বছৰৰ নৱাগত আদৰণি সভাখন অতি জাক-জমকভাৱে অনুষ্ঠিত হৈ যায়। সভাত সভা-পতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে। এই সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰ্মল কুমাৰ চৌধুৰীদেৱে ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰীক উদ্দেশ্যি এটা বহুমূলীয়া ভাষণ দিয়ে। উপাচাৰ্য চৌধুৰীদেৱলৈ আমাৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ। সভাত উপস্থিত থাকি আমাক উৎসাহিত কৰা বাবে স্থানীয় গণ্য-মান্য লোক-সকললৈকো আমি ধন্যবাদ জ্ঞাপন কৰিছোঁ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই বছৰৰ "আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্ট" দক্ষিণ কামৰূপ মহাবিদ্যালয়ত অনুষ্ঠিত হয়। এই ফুটবল প্ৰতি-যোগিতাত আমাৰ মহাবিদ্যালয়ে যথেষ্ট পাৰদৰ্শিতা দেখুৱাই চেমি ফাইনেল খেল খেলাৰ যোগ্যতা লাভ কৰিবলৈ সমৰ্থ হয়। প্ৰতি গৰাকী খেলুৱৈলৈ মোৰ অভিনন্দন থাকিল আৰু তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

মই বৰ দুঃখীত যে মোৰ কাৰ্য্যকালছোৱাত আমি কেবাবাৰো শোকাশ্ৰু বোৱাব লগা হ'ল।

আমি অকালতে হেৰুৱালো মহাবিদ্যালয়ৰ ছাত্র ৰূপশ্বৰ বাভা (উঃ মাঃ ২য়) জগৎ চন্দ্ৰ নাথ (উঃ মাঃ ১ম), হেমন্ত বাভা (স্নাতক ১ম), আৰু ছাত্রী জিলি বাভাক (উঃ মাঃ ১ম)। তেখেত সকলৰ স্বৰ্গগত আত্মাই চিৰ শান্তি লাভ কৰক— এয়ে ভগৱানৰ ওচৰত আমাৰ প্রাৰ্থনা। ইয়াৰ উপৰি আমি প্রাক্তন প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী, প্রাক্তন কেন্দ্ৰীয় মন্ত্ৰী দীনেশ গোস্বামী, অসমৰ শিল্পী নিপ বৰুৱা আৰু আমাৰ মহাবিদ্যালয় প্রতিষ্ঠাত উল্লেখযোগ্য অৰিহণা যোগোৱা ব্যক্তি গজেন কলিতাৰ মৃত্যুত শোক সভা পাতি তেখেত সকলৰ স্বৰ্গগত আত্মাৰ সদ্গতি কামনা কৰা হয় আৰু লগতে শোক সন্তপ্ত পৰিয়াল সকললৈ সমবেদনা জ্ঞাপন কৰা হয়।

মহাবিদ্যালয় একোখনৰ যথেষ্ট অভাৱ অভিযোগ থাকে। আমাৰ মহাবিদ্যালয়ো তাৰ ব্যতিক্ৰম নিশ্চয় নহয়। ইয়াত আমি গোটেইবোৰ অভাৱ উল্লেখ নকৰি মাত্ৰ কেইটিমান অভাৱৰ কথা কৰ্তৃপক্ষৰ সু-বিবেচনাৰ বাবে দাঙি ধৰিলো। এই কেইটা হ'ল— (১) মহাবিদ্যালয় চৌহদত এখন কেন্টিনৰ ব্যৱস্থা কৰা (২) ছাত্ৰ-ছাত্রী তথা শিক্ষকৰ বাবে চাইকেল ছেদৰ ব্যৱস্থা কৰা (৩) ছাত্ৰ-ছাত্রীৰ বাবে শৌচাগাৰৰ ব্যৱস্থা কৰা (৪) কলা শাখাৰ প্রতিটো বিষয়ত স্নাতক মহলাত 'মেজৰ' পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা (৫) স্নাতক মহলাত বিজ্ঞান শাখা প্ৰবৰ্ত্তন কৰা (আগন্তুক শিক্ষা বৰ্ষৰ পৰাই) (৬) ছাত্রীসকলৰ বাবে এটা আহল-বহল কমন ৰুমৰ ব্যৱস্থা কৰা আৰু (৭) মহাবিদ্যালয়ৰ সৌন্দৰ্য্য বৰ্দ্ধনৰ বাবে এটা আটক ধুনীয়া স্থায়ী গেট নিৰ্মাণ কৰা আদি।

সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যভাৱ চলাই যাওঁতে বিভিন্ন দিশত দিহা পৰামৰ্শ দি উপকৃত কৰা কাৰণে মই মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্র একতা সভাৰ সভাপতি শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱৰ ওচৰত চিৰ কৃতজ্ঞ হৈ থাকিলো। মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা সকললৈকো মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো। লগতে মোৰ কাৰ্য্যভাৱ চলাই যাওঁতে প্ৰতি পদে পদে সহায় সহযোগিতা আগবঢ়োৱা বাবে ছাত্র একতা সভাৰ সহকৰ্মী সকলৰ লগতে অক্ষয়, প্ৰশান্ত ব্ৰজ দীপক, পঙ্কজ, বিপুল সাৰদা, লতিকা সভ্যা অঞ্জনালৈকো আন্তৰিক ধন্যবাদ যাচিছোঁ। তদুপৰি সকলো সময়তে সহযোগিতা আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক সকললৈকো মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্রীলৈ ধন্যবাদ যাঁচি আৰু সকলোৰে ওচৰত মোৰ জ্ঞাত-অজ্ঞাত ভুল ত্রুটিবোৰৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

'জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"

ধন্যবাদেৰে—

**শ্ৰীলক্ষ্মণ প্ৰসাদ ৰাভা**

সাধাৰণ সম্পাদক, ছাত্র একতা সভা

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯০-৯১ চনৰ ছাত্ৰ—একতা সভাৰ বাবে হোৱা নিৰ্ব্বাচনত মোক ভোট দি জয়যুক্ত কৰি *সাংস্কৃতিক সম্পাদক হিচাপে সেৱা* কৰিবলৈ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

কৃষ্টি আৰু সংস্কৃতি হ'ল এটা জাতিৰ প্ৰাণ। ইয়াৰ অবিহনে কোনো জাতি জীয়াই থাকিব নোৱাৰে। কৃষ্টি সংস্কৃতিৰ জৰিয়তেই এটা জাতিৰ পৰিচয় পাব পাৰি। বাৰে-বৰণীয়া সংস্কৃতিৰ এক অপূৰ্ব সমন্বয় হ'ল অসমীয়া সংস্কৃতি। এনে এক বিশাল সংস্কৃতি যাতে কোনো কাৰণত কালৰ বুকুত জাহ যাব নোৱাৰে তাৰ কাৰণে আমি সকলোৱে সদা সতৰ্ক থকা প্ৰয়োজন। ছাত্ৰ-ছাত্ৰী সকলেও কেৱল পাঠ্য-পুথি অধ্যয়নতে আবদ্ধ নাথাকি আমাৰ ৰাজ্যখনত বসবাস কৰি থকা বিভিন্ন জাতি-উপজাতি কৃষ্টি-সংস্কৃতিৰ ৰক্ষণাবেক্ষণ আৰু বিকাশ সাধনত মনোনিবেশ কৰি বৰ অসমৰ ঐক্যৰ ভেটিৰ এনাজৰীডাল শক্তিশালী কৰিবলৈ যত্ন কৰা উচিত।

আমি কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিন মান পিছতে মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ "মহাবিদ্যালয় সপ্তাহ" অনুষ্ঠিত হৈছিল। এই উৎসৱ ১১৷২৷৯১ ইং তাৰিখৰ পৰা ১৮৷২৷৯১ ইং তাৰিখলৈকে চলিছিল। এই উপলক্ষে সাংস্কৃতিক বিভাগৰ ফালৰ পৰা গীত-মাত-নাচ আদিৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল আৰু এই প্ৰতিযোগিতা সমূহত সৰহ সংখ্যক প্ৰতিযোগীয়ে যোগদান কৰি উদ্যোক্তা সকলক আনন্দিত কৰাৰ লগতে মনত প্ৰেৰণা যোগাইছিল। একাংক নাট প্ৰতিযোগিতাত এইবাৰ কেবাটাও নাট্যদলে যোগদান কৰি দৰ্শক তথা অধ্যাপক-অধ্যাপিকাবৃন্দক যথেষ্ট আমোদ দিছিল। এইখিনিতে প্ৰতিযোগী আৰু দৰ্শকসকলক মোৰ আন্তৰিক ধন্যবাদ জনোৱাৰ লগতে বিচাৰক হিচাপে যি সকল ব্যক্তিক নিমন্ত্ৰণ জনোৱা হৈছিল তেখেত সকল আহি আমাৰ কাৰ্য্য-সূচী চলাই নিয়াত সহায়তা কৰাৰ বাবে মই তেখেতসকললৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত কৰা প্ৰদৰ্শনী প্ৰতিযোগিতাত এইবাৰ প্ৰতিযোগীৰ অভাৱৰ বাবে "হস্তশিল্প"ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা নগ'ল। মই আশা কৰিছোঁ ভৱিষ্যতে যেন এই প্ৰতিযোগিতাত ভালে-সংখ্যক প্ৰতিযোগীয়ে যোগদান কৰে। অৱশ্যে এইবাৰ পোন প্ৰথম বাৰৰ বাবে সাংস্কৃতিক শিতানত অন্তৰ্ভুক্ত কৰা "মুকাভিনয়" আৰু "যন্ত্ৰ সংগীত" প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰী তথা দৰ্শকবৃন্দক বেছ আমোদ আৰু আনন্দ দিয়ে। সাংস্কৃতিক বিভাগৰ ফালৰ পৰা আমাৰ মহাবিদ্যালয়ত মহাপুৰুষ শ্ৰীশংকৰদেৱৰ

তিৰোভাৱ তিথিও এক আকৰ্ষণীয় আৰু গাম্ভীৰ্য-পূৰ্ণ পৰিৱেশত পালন কৰা হয়।

এইবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্ত: মহা-বিদ্যালয় যুৱ-মহোৎসৱত আমাৰ মহাবিদ্যালয়ে যোগদান কৰিব নোৱাৰিলে। কাৰণ তেতিয়া আন ভালেমান অসুবিধাৰ লগতে আমাৰ ছাত্ৰ-ছাত্ৰী-সকল শিক্ষান্ত পৰীক্ষাৰ কাৰণে ব্যস্ত আছিল।

মোৰ কাৰ্যকালৰ শেষৰ ফালে অৰ্থাৎ যোৱা ২৮।১০।৯১ ইং তাৰিখে সাংস্কৃতিক বিভাগৰ তত্বাৰ-ধানত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এটি দলে গৈ আকাশবাণী গুৱাহাটী কেন্দ্ৰত ভিন্নসুৰী গীত-মাতৰ অনুষ্ঠান এটি ৰেকৰ্ডিং কৰে। উক্ত গীত-মাত সমূহ আকাশবাণীৰ ৩ নৱেম্বৰ তাৰিখৰ কাৰ্য্যসূচীত থকা 'সুৰভি' অনুষ্ঠান যোগে প্ৰচাৰিত হয়। এই কাৰ্য্যসূচী সম্পাদন কৰাত বিভিন্ন দিশত সহায়তা কৰা বাবে অধ্যাপক শ্ৰীকমলেশ্বৰ ঠাকুৰীয়া ছাৰ, অধ্যাপক শ্ৰীপ্ৰাণেশ্বৰ নাথ ছাৰ আৰু গ্ৰন্থাগাৰ সহায়ক শ্ৰীভাৰত চৌধুৰীৰ ওচৰত মই বিশেষভাৱে কৃতজ্ঞ হৈ ৰলোঁ।

সাংস্কৃতি সম্পাদক হিচাপে কাৰ্য্যভাৰ চলাই যাওঁতে মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ দি উৎসাহিত কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ থাকিলোঁ। সাংস্কৃতিক বিভাগৰ তত্বাবধায়ক অধ্যাপক শ্ৰীযুত শৰৎ চন্দ্ৰ তালুকদাৰদেৱে মোক প্ৰতি পদে পদে দিহা-পৰামৰ্শ দি উপকৃত কৰা বাবে তেখেতৰ ওচৰতো মই কৃতজ্ঞ হৈ ৰলোঁ। অধ্যাপক শ্ৰীযুত বসন্ত কুমাৰ দত্ত চাৰৰ লগতে সমূহ অধ্যাপক-অধ্যাপিকালৈকো মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোক বিভিন্ন দিশত সহায়-সহযোগিতা কৰা বন্ধু-বান্ধৱী, প্ৰাক্তন সাংস্কৃতিক সম্পাদক যোনাথন মাৰাক, বেদান্ত, বীৰাজ, লক্ষ্যধৰ, ৰমণী, যদু, প্ৰশান্ত, দিলীপ, কামিনী, কৈলাশ; অক্ষয়, পঙ্কজ, ব্ৰজ দুলাল, দ্বিপেন, যুথিকা, হীৰামণি, কল্পনা কণিকা, মীৰা, ভৱানী, মাইমু পম্পা, নৱনীতা বিজু, পদুমী আৰু অঞ্জুক মোৰ আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা যাচিছোঁ।


সৰ্বোশেষত সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জনাই আৰু মোৰ অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

'জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়"

ধন্যবাদেৰে—

**শ্ৰীদেৱজিৎ দাস**

সম্পাদক, সাংস্কৃতিক বিভাগ।



# ॥ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে মোক জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯০-৯১ চনৰ বাবে হোৱা ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক পৰিষদৰ নিৰ্বাচনত খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰাত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

'খেল' কেৱল আনন্দৰে উৎসৱ নহয় বৰ্তমান ই শিক্ষাৰ এটা প্ৰধান অঙ্গ হিচাপে পৰিগণিত হৈছে। খেলৰ জৰিয়তে শাৰীৰিক পুষ্টি আৰু মানসিক উৎকৰ্ষ সাধন হোৱাৰ লগতে ই বিভিন্ন দেশ, জাতি আৰু গোষ্ঠীৰ মাজত মিলাপ্ৰীতি আৰু বন্ধুত্বৰ ভাৱ গঢ়ি তোলাত সহায়তা কৰে। বৰ্তমান সময়ত পাঠ্যপুথি পঢ়াৰ লগতে ছাত্ৰ-ছাত্ৰী সকলে খেলা-ধূলাৰ প্ৰতি মনোযোগ দিয়াটো অতি প্ৰয়োজনীয় কৰ্তব্য হৈ পৰিছে। খেলা-ধূলাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মাজত আগ্ৰহ জন্মাই তোলাত শিক্ষানুষ্ঠান বিলাকে এক গুৰুত্বপূৰ্ণ ভূমিকা লব পাৰে।

বিগত বছৰবোৰৰ দৰে এই বছৰো মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা হয়। খেল বিভাগৰ ফালৰ পৰা বিভিন্ন খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। খেলসমূহত ছাত্ৰ-ছাত্ৰীৰ উৎসাহ যথেষ্ট দেখা গৈছিল। অৱশ্যে এইবাৰ খেল প্ৰতিযোগিতাত কিছুমান নিম্ন মানৰ খেল বাদ দি কেইটিমান নতুন খেলৰ অন্তৰ্ভুক্ত কৰা হৈছিল। আমাৰ মহাবিদ্যালয়ত খেলৰ বাবে প্ৰয়োজনীয় সামগ্ৰী নথকা সত্বেও ছাত্ৰ-ছাত্ৰীসকলে নিজৰ যোগ্যতাৰ পৰিচয় দিবলৈ সমৰ্থ হৈছে। তাৰ বাবে প্ৰতিযোগী খেলুৱৈক মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

এইবেলি আমাৰ মহাবিদ্যালয় খেল-পথাৰত দুখনৈ মহাবিদ্যালয়ৰ লগত আমাৰ মহাবিদ্যালয়ৰ হোৱা সীমিত অভাৰৰ এদিনীয়া ক্ৰিকেট খেল-খনত আমাৰ মহাবিদ্যালয়ে সুন্দৰ খেল প্ৰদৰ্শন কৰি জয়লাভ কৰিবলৈ সমৰ্থ হয়। গুৱাহাটী বিশ্ব বিদ্যালয়ৰ অধীনৰ আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্টতো আমাৰ মহাবিদ্যালয়ে যোগদান কৰি প্ৰাৰম্ভিক খেলবোৰত জয়লাভ কৰি চেমি-ফাইনেল খেল খেলাৰ যোগ্যতা লাভ কৰে।

মহাবিদ্যালয় এখনৰ খেলসমূহ সুচাৰুৰূপে পৰিচালিত কৰিবলৈ যিখিনি খেলৰ সামগ্ৰীৰ প্ৰয়োজন সিমানখিনি সামগ্ৰী আমাৰ মহাবিদ্যালয়ত নাই। সেয়ে মই মহাবিদ্যালয় কৰ্তৃপক্ষক খেলৰ প্ৰয়োজনীয় সামগ্ৰীখিনিৰ অভাৱ সোনকালে পূৰণ কৰি দিবলৈ অনুৰোধ জনালোঁ। তদুপৰি ছাত্ৰ-ছাত্ৰী সকললৈকো মোৰ এটা অনুৰোধ যেখেত সকলে যাতে নিয়মিতভাৱে খেলা-ধূলাৰ অনুশীলন কৰি থাকে।

মোৰ কাৰ্যকালছোৱাত সকলো দিশৰ পৰা সহায়-সহযোগ আৰু দিহা-পৰামৰ্শ দি উপকৃত

কৰা কাৰণে খেল বিভাগৰ তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত অৱনী দাস ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰোপৰি অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱ, মাননীয় শ্ৰীযুত দ্বিজেন দাস ছাৰ আৰু শ্ৰীযুত মদন চন্দ্ৰ কাকতি ছাৰদেৱলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে ছাত্ৰ-একতা সভাৰ সদস্য সকল আৰু বন্ধু-বান্ধৱী—সৰ্বশ্ৰী ভৱানী, কানদেৱ, অঞ্জলি, গঞ্জনা, উপেন, নৱ, তৰা, মধু-মিতা, অনুজ, কনক, প্ৰণৱ, দ্বিজেন, লতিকা, সুভদ্ৰা, উৰ্বশী, বাপী, মাইনু, মাজনী নৱনীতা, বেদান্ত, হিৰা, অনু আৰু মেদিনীলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা যাচিলোঁ।

সদৌ শেষত সকলোলৈকে ধন্যবাদ জনাই আৰু মোৰ অজানিতে হোৱা ভুল-ত্ৰুটিবোৰৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি প্ৰতিবেদন সামৰিছোঁ। "জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"

ধন্যবাদেৰে—
**শ্ৰীকামিনী কান্ত ৰাভা**
সম্পাদক, খেল বিভাগ।

—:+:—

# তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুযোগকণ দিলে আৰু মোৰ কাৰ্যকালছোৱাত বিভিন্ন ধৰণে সহায় সহযোগিতা আগবঢ়ালে সেইসকললৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিগত বছৰবোৰৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ মহাবিদ্যালয় সপ্তাহ' যথেষ্ট উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে 'তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰ পৰা তৰ্ক প্ৰতিযোগিতা, আবৃত্তি প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। কিন্তু অতি পৰিতাপৰ কথা যে প্ৰতিযোগীৰ অভাৱৰ কাৰণে তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত কৰিব পৰা নগ'ল। অৱশ্যে তৰ্ক প্ৰতিযোগিতাত বাহিৰে বাকীবোৰ প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণ যথেষ্ট উৎসাহজনকে হৈছিল। ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ এটি অনুৰোধ—আগলৈকে যেন তেওঁলোকে তৰ্ক প্ৰতিযোগিতাত যোগদান কৰিবলৈ আগবাঢ়ি আহে।

আমাৰ দেশৰ গণতান্ত্ৰিক শাসন ব্যৱস্থাত 'তৰ্ক আৰু আলোচনা চক্ৰাদি'ৰ যে যথেষ্ট গুৰুত্ব আছে সেইটো নকলেও হয়। ছাত্ৰ-ছাত্ৰীৰ জ্ঞান তথা ব্যক্তিত্বৰ বিকাশ সাধনতো যুক্তি-তৰ্কাদিৰ ভূমিকা কম নহয়। সেয়ে ছাত্ৰ অৱস্থাৰ পৰাই আমি যুক্তি তৰ্কেৰে সকলো বিষয় বিচাৰ বিশ্লেষণ কৰাৰ অভ্যাস আহৰণ কৰা উচিত। এনে অভ্যাস গঢ়ি তুলিবলৈ মহাবিদ্যালয় সপ্তাহত পতা তৰ্ক প্ৰতিযোগিতাৰ বাহিৰেও আন সময়তো মাজে সময়ে দুই একোখন তৰ্ক প্ৰতিযোগিতা তথা আলোচনা চক্ৰ অনুষ্ঠিত কৰাটো নিতান্ত প্ৰয়োজনীয়। কিন্তু মই বৰ দুখিত যে মোৰ কাৰ্যকালত তেনে ধৰণৰ আলোচনা চক্ৰ বা তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিব নোৱাৰিলো। যিয়েই নহওক, আগলৈকে এনে ধৰণৰ প্ৰতিযোগিতা বা আলোচনা চক্ৰাদি অনুষ্ঠিত হ'ব বুলি আশা কৰিলোঁ।

মোৰ কাৰ্যভাৰ চলাই যাওঁতে বিভিন্ন দিশত দিহা-পৰামৰ্শ দি উপকৃত কৰা কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা সকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু বিশেষভাৱে তৰ্ক আৰু আলোচনা চক্ৰৰ তত্বাৱধায়ক অধ্যাপক শ্ৰদ্ধেয় দ্বিজেন দাস ছাৰৰ ওচৰত মই চিৰ-ঋণী হৈ থাকিলো। লগতে ছাত্ৰ বন্ধু দ্বিজেন ৰাভা, দীপক দৈমাৰী, লোহিত ৰাভা, সঞ্জয় দাস, নৃপেন পাটোৱাৰী, প্ৰণৱ ৰাভা, পঙ্কজ কলিতা, শঙ্কৰ কলিতা, প্ৰদীপ কলিতা আৰু হৰিমোহন ৰাভাক তেওঁলোকে আগবঢ়োৱা সহায় সহযোগিতাৰ কাৰণে মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

সদৌ শেষত, সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মোৰ অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা-মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"

ধন্যবাদেৰে—

**শ্ৰীহীৰেণ ৰাভা।**

সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ।

—:x:—

# আমাৰ প্ৰতিভা




মিচ বীণাপাণি নাথ ( উঃ মাঃ ২য় বাৰ্ষিক )
বছৰৰ শ্ৰেষ্ঠা অভিনেত্ৰী



শ্ৰীদ্বিজেন্দ্ৰ কুমাৰ দাস ( স্নাতক প্ৰথম বাৰ্ষিক )
বছৰৰ শ্ৰেষ্ঠ অভিনেতা



মিচ অঞ্জলি দৈমাৰী ( উঃ মাঃ প্ৰঃ বাৰ্ষিক )
বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ



শ্ৰীকামদেৱ কলিতা ( উঃ মাঃ ২য় বাৰ্ষিক )
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ



মিচ পদুমী পাঠক ( স্নাতক প্ৰঃ বাৰ্ষিক )
বছৰৰ শ্ৰেষ্ঠা গায়িকা

# ঃ সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে মোক জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰা কাৰণে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ অন্তৰভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সমাজ সেৱা মানেই হ'ল দেশ সেৱা। এই সেৱা আমি দূৰ-দূৰণিলৈ নোযোৱাকৈয়ে কৰিব পাৰো। আমাৰ সকলোৰে নিজ নিজ ঘৰখনৰ উপৰিও নিজ নিজ চুবুৰী বা অঞ্চলটোৰ প্ৰতি এটা দায়বদ্ধতা আছে। আঞ্চলিক প্ৰয়োজন অনুসাৰে এই দায়িত্ব হয়তো বেলেগ বেলেগ হ'ব পাৰে। এনে দায়িত্ব পালন কৰিবলৈ সমাজৰ লোক সকল যদি দলবদ্ধভাৱে আগবাঢ়ি আহে আৰু নিজৰ নিজৰ প্ৰয়োজন সমূহ পূৰণ কৰি লয় তেতিয়া দেশৰ যে কল্যাণ সাধিত হ'ব তাত কোনো সন্দেহ নাই। সমাজ সেৱাৰ মাজেৰে বিভিন্ন জাতি বা সম্প্ৰদায়ৰ মাজত মিলাপ্ৰীতি স্থাপন কৰি ঐক্যৰ এনাজৰীডালো সুদৃঢ় কৰিব পাৰি। দহৰ আৰু বাইজৰ মঙ্গল সাধিব পৰা এনে এটা মহৎ কামত ছাত্ৰ-ছাত্ৰীসকলে নিশ্চয় আগভাগ ল'ব পাৰে। সেয়ে বিদ্যালয় আৰু মহাবিদ্যালয়বোৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে এনে অভ্যাস আহৰণ কৰি লোৱা উচিত।

আন আন বছৰৰ দৰে এই বেলিও মই দায়িত্বভাৰ লোৱাৰ কেইদিনমান পাছতে 'মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। এই উপলক্ষে মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰাৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখনি ছাফাই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত শৃংখলাবোধ, নিষ্ঠা, ধৈৰ্য্য আৰু সেৱাৰ মনোভাব দেখুৱাবলৈ সমৰ্থ হোৱা ছাত্ৰ-ছাত্ৰীক নিৰ্বাচন কৰি পুৰস্কৃত কৰা হয়।

মোৰ কাৰ্য্যকালত আমি সমাজ সেৱাৰ ক্ষেত্ৰ মহাবিদ্যালয় চৌহদতে সীমিত ৰাখিবলগীয়া হয়। ছাত্ৰ-ছাত্ৰী সকলে জিৰণি সময়ছোৱাত বহিবলৈ মহাবিদ্যালয়ৰ চৌহদত থকা গছবোৰৰ তলে তলে একোখন কাঠৰ বেঞ্চ নিৰ্মাণ কৰা হয়। এই-খিনিতে ছাত্ৰ-ছাত্ৰীসকলে ভোগ কৰি অহা এটি অভাৱৰ কথা মহাবিদ্যালয় কৰ্ত্তৃপক্ষৰ দৃষ্টি গোচৰ কৰা হ'ল। সেইটো হৈছে শৌচাগাৰৰ অভাৱ। আশাকৰোঁ এই বিষয়ে কৰ্ত্তৃপক্ষই বিহিত ব্যৱস্থা ল'ব।

সমাজ সেৱা বিভাগৰ গুৰুদায়িত্ব পালন কৰাত মোক সকলো দিশৰ পৰা দিহা-পৰামৰ্শ আদি দি উপকৃত কৰা কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱ আৰু সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত নবীন চন্দ্ৰ মুদিয়াৰদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে প্ৰতি পদে পদে মোক সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে বন্ধু সৰ্বশ্ৰী— কামিনী, দেৱজিৎ, প্ৰশান্ত, অক্ষয়, দীপক, পঙ্কজ, ব্ৰজ, লক্ষ্মণ, প্ৰদীপ, ৰূপেন, পূৰ্ণ আৰু বান্ধৱী

বিজুমণি, জ্যোতিকণা, নৱনীতা পম্পা, ভুতুমণি, অৰ্চ্চনা আৰু অম্বিকাক মোৰ আন্তৰিক ধন্যবাদ যঁাচিছোঁ।

সদৌ শেষত, মোৰ কাৰ্য্যভাৰ চলাই যাওঁতে অজানিতে হৈ যোৱা ভুল-ত্ৰুটিবিলাকৰ বাবে সকলোৰে ওচৰত ক্ষমা মাৰ্জনা বিচাৰি আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

ধন্যবাদেৰে—

শ্ৰীদিলীপ কুমাৰ ৰাভা

সম্পাদক, সমাজ সেৱা বিভাগ।

—:০:—

# ।। ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ।।

প্ৰতিবেদনৰ আৰম্ভণিতে দেশ মাতৃৰ কাৰণে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললৈ মই সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। ১৯৯০–৯১ ইং চনৰ বাবে মোক জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বি-ভাৱে নিৰ্বাচিত হ'বলৈ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই আন্তৰিক ধন্যবাদ যাঁচিছো।

বিগত বছৰবোৰৰ দৰে এই বেলিও 'মহা-বিদ্যালয় সপ্তাহ' যথেষ্ট উলহ–মালহেৰে উদ্‌যাপন কৰা হয়। ছাত্ৰ জিৰণি কোঠাৰ ফালৰ পৰাও কেৰম আৰু বেডমিন্টন খেল অনুষ্ঠিত কৰা হৈছিল। খেলসমূহত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে যোগদান কৰিছিল আৰু খেলবোৰ অতি উচ্চ মানৰ হৈছিল। নিয়মীয়া অনুশীলন আৰু যত্ন কৰিলে এই সকল প্ৰতিযোগীয়ে যে ভৱিষ্যতে যথেষ্ট সুনাম অৰ্জন কৰিব পাৰিব তাত কোনো সন্দেহে নাই। এই-খিনিতে মই খেলুৱৈসকলক অভিনন্দন জনালোঁ আৰু তেখেতসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

আমাৰ মহাবিদ্যালয়ৰ অভাৱ-অভিযোগবোৰৰ লেখ দি অন্ত কৰিব নোৱাৰি। তাতে আকৌ ভূতৰ ওপৰত দানহ ওলোৱাদি বছৰৰ মাজভাগতে প্ৰৱল ঘূৰ্ণীবতাহে আমাৰ ছাত্ৰ জিৰণি কোঠাটোকে ধৰি মহাবিদ্যালয় ভৱনৰ বিস্তৰ ক্ষতি সাধন কৰি গ'ল। অৱশ্যে মহাবিদ্যালয় কৰ্তৃপক্ষৰ নেৰা-নেপেৰা চেষ্টাত প্ৰাকৃতিক দুৰ্যোগে ক্ষতি সাধন কৰা ভৱন সমূহৰ পুনৰ নিৰ্মাণ সম্ভৱ হৈ উঠিছে আৰু আমাৰ ছাত্ৰ-জিৰণি কোঠাটোৰো নিৰ্মাণ কাৰ্য সম্পন্ন হৈ উঠিছে। "Indoor games" ৰ শিতানত ভালে-মান অভাৱ আছে যদিও গোটেইবোৰ অভাৱ উল্লেখ নকৰি কেৱল এটা অভাৱৰ কথাহে কৰ্তৃপক্ষৰ বিবেচনাৰ কাৰণে দাঙি ধৰিলো। সেইটো হ'ল টেবুল টেনিচ খেল। টেবুল টেনিচ খেলটো "Indoor games" ৰ শিতানত অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীয়ে যাতে অহা চেছনৰ পৰাই এই খেল খেলিব পাৰে তাৰ কাৰণে যথাযোগ্য ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনালোঁ।

মোৰ এই কাৰ্য্যকালছোৱাত বিভিন্ন ধৰণে দিহা-পৰামৰ্শ আদি দি সহায় কৰা কাৰণে ছাত্ৰ-জিৰণি কোঠাৰ ভাৰপ্ৰাপ্ত অধ্যাপক মঃ মজিবৰ ৰহমান ছাৰলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে ছাত্ৰবন্ধু জগৎ, ৰতন, প্ৰবীণ বানেশ্বৰ, নৰেণ, সঞ্জয়, মৃণাল, ভূদেৱ, ৰমেন, জীৱেশ্বৰ, নিৰঞ্জন, ধনঞ্জয় আৰু ছাত্ৰী বন্ধু বিজু, মাইনু, ৰেখা, অঞ্জু, ৰঞ্জু আদিলৈ মোৰ আন্তৰিক ধন্যবাদ যাঁচিলো।

সদৌ শেষত সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জনাই আৰু মোৰ অজানিতে হোৱা ভুল-ত্ৰুটি-বোৰৰ বাবে মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

**শ্ৰীসুৰেশ চন্দ্ৰ দাস**

সম্পাদক, ছাত্ৰ জিৰণি কোঠা।

—ঃ+ঃ—

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত প্ৰাণাহুতি দিয়া বীৰ শ্বহীদসকলৰ স্মৃতিত অশ্ৰু-অঞ্জলি যাঁচি মই সশ্ৰদ্ধ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছোঁ। ১৯৯০-৯১ চনৰ ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক পৰিষদৰ বাবে হোৱা নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'বলৈ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিগত বছৰবোৰৰ দৰে এই বছৰো মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' যথেষ্ট উলহ-মালহেৰে পালন কৰা হয়। ছাত্ৰী জিৰণি কোঠা বিভাগৰ ফালৰ পৰাও কেইটিমান খেলৰ প্ৰতিযোগিতা পতা হয়। কিন্তু এই প্ৰতিযোগিতাত ছাত্ৰী প্ৰতিযোগীৰ সংখ্যা যথেষ্ট সংখ্যক হোৱা নাছিল। ভৱিষ্যতে এই খেলসমূহত সক্ৰিয়ভাৱে যোগদান কৰিবলৈ মই ছাত্ৰীসকলক অনুৰোধ জনালোঁ।

এইখিনিতে মই ছাত্ৰীসকলে সততে ভোগ কৰি অহা অসুবিধাৰ কথা অলপ দাঙি ধৰিব বিচাৰিছোঁ। ছাত্ৰী অনুপাতে ছাত্ৰী জিৰণি কোঠাটো যথেষ্ট সৰু হৈছে। তদুপৰি ছাত্ৰীসকল বহিবলৈ কোঠাটোত ডেস্ক-বেঞ্চ বহুত কম। আৰু এটা কথা হ'ল ছাত্ৰী জিৰণি কোঠাটো যি ঠাইত অৱস্থিত সেই ঠাইখিনি শুচল নহয়। জিৰণি কোঠাটো কিছু পৰিমাণে একাষৰীয়া হলে ভাল হয়। গতিকে মহাবিদ্যালয় কৰ্তৃপক্ষই এই বিষয়ে চিন্তাকৰি এটা উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিলোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে কাৰ্য্যভাৰ চলাই যাওঁতে মোক বহুমূলীয়া উপদেশ আৰু পৰামৰ্শ আদি দি উপকৃত কৰা বাবে শ্ৰদ্ধাভাজন অধ্যক্ষদেৱ, ছাত্ৰী জিৰণি কোঠাৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা মাননীয়া শ্ৰীমতী বিজয়া ডেকা বাইদেউ আৰু মাননীয় শিক্ষাগুৰুবৃন্দলৈ মোৰ ভক্তিভৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্য্যকালৰ প্ৰতিটো কামতে সহায়তা কৰা ছাত্ৰ জিৰণি কোঠাৰ তত্বাৱধায়ক মঃ মজিবৰ ৰহমান ছাৰলৈকো আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ। ইয়াৰ উপৰি মোক প্ৰতি পদে পদে সহায়ৰ হাত আগবঢ়োৱা বান্ধৱী মাইনু, পাৰ্বতী আৰু বিজুমণিক আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ যাচিছোঁ।

সদৌ শেষত সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ যাঁচি আৰু মোৰ অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সমাবণি মাৰিলোঁ।

'জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়'

ধন্যবাদেৰে—

মিচ্ বীণা দাস

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা।

# আলোচনী সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মোক আলোচনী সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুযোগকণ দিয়া কাৰণে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা মই মহাবিদ্যালয়ৰ মুখপত্ৰ 'জৱাহৰ জ্যোতি'ক সময়মতে পোহৰলৈ অনাৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিছিলো যদিও বিভিন্ন কাৰণত ই সম্ভৱ হৈ নুঠিল। তথাপি কিছু পলমকৈ হলেও আপোনালোকৰ হাতত "জৱাহৰ জ্যোতি"ক তুলি দিবলৈ পাই মই নিজে আনন্দিত হৈছো। আলোচনীখনৰ মানদণ্ড কিমান উন্নত হৈছে সেইটো আমি বিচাৰ কৰিব নেযায়। কিয়নো ছাত্ৰ-ছাত্ৰীসকলৰ লিখা-মেলাৰ এয়া আৰম্ভণিহে। অভ্যাস আৰু অনুশীলনৰ জৰিয়তে আমাৰ এই লেখক সকলৰ মাজৰ পৰাই ভৱিষ্যতে নিশ্চয় একো একোজন সু-সাহিত্যিক ওলাব। ছাত্ৰ ছাত্ৰীসকললৈ মোৰ এটি অনুৰোধ তেখেত সকলে যেন লিখা-মেলাৰ অভ্যাস অব্যাহত ৰাখে।

আলোচনী বিভাগৰ ফালৰ পৰাও বছেৰেকীয়া মহাবিদ্যালয় সপ্তাহত এখনি সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এই প্ৰতিযোগিতাত 'গল্প' আৰু 'কবিতা' লিখাত যি সকল ছাত্ৰ-ছাত্ৰীয়ে ১ম, ২য় আৰু ৩য় স্থান লাভ কৰিছিল সেইসকলক পুৰস্কৃত কৰা হৈছিল।

'জৱাহৰ জ্যোতি'ৰ লগতে মই একে নামেৰে থকা মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাৰ প্ৰকাশৰ কামো হাতত লৈছিলো। প্ৰতি তিনি মাহৰ মূৰে মূৰে এই প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰাৰ কথা। যদিও মোৰ কাৰ্যকালছোৱাত কেৱল এবাৰহে প্ৰকাশ কৰিবলৈ সমৰ্থ হওঁ। মই আশা কৰিছোঁ মোৰ পৰৱৰ্ত্তী আলোচনী সম্পাদক জনে এই বিষয়ত বিশেষ মনোযোগ দিব।

আলোচনীখনৰ সম্পাদনা কাৰ্যত মোক সহায় সহযোগিতা আগবঢ়োৱাৰ কাৰণে মই আলোচনী বিভাগৰ তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত লক্ষ্মী কান্ত শৰ্মা ছাৰৰ ওচৰত কৃতজ্ঞ হৈ থাকিলোঁ। মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱৰ বহুমূলীয়া দিহা-পৰামৰ্শৰ বাবেও মই তেখেতৰ ওচৰত চিৰঋণী হৈ থাকিলো। তদুপৰি অধ্যাপক শ্ৰীযুত বসন্ত দত্ত ছাৰ, অধ্যাপক শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মা ছাৰ আৰু অধ্যাপক শ্ৰীযুত যতীন মেধি ছাৰে কবিতা, গল্প, প্ৰবন্ধ আদি চাই মেলি শুধৰাই দিয়া বাবে মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশত সহায় সহযোগ কৰি মোক উপকৃত কৰা কাৰণে মই অধ্যাপক শ্ৰীযুত কমলেশ্বৰ ঠাকুৰীয়া আৰু অধ্যাপক শ্ৰীযুত প্ৰাণেশ্বৰ নাথ ছাৰৰ ওচৰত কৃতজ্ঞ থাকিলো। লগতে মোক বহুমূলীয়া সহায় সহযোগিতা আগবঢ়োৱা বাবে ছাত্ৰ বন্ধু সৰ্বশ্ৰী— লক্ষ্মণ প্ৰসাদ ৰাভা, দ্বিজেন্দ্ৰ কুমাৰ দাস, ধনঞ্জয় তালুকদাৰ, বেদান্ত

ডেকা আৰু বলেন চৌধুৰীক মোৰ অকৃত্ৰিম মৰম আৰু ধন্যবাদ জনালোঁ।

'জৱাহৰ জ্যোতি'ৰ এই সংখ্যাৰ বেটুপাতটো অঙ্কন কৰি দিয়া বাবে মই মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত প্ৰাণেশ্বৰ নাথ ছাবক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। এইখিনিতে মই মিৰ্জাৰ 'জনতা প্ৰেছ'ৰ স্বত্বাধিকাৰী শ্ৰীযুত যোগেশ পালদেৱক তেখেতৰ পৰম ব্যস্ততাৰ মাজতো আমাক আলোচনীখন ছপা কৰি উলিয়াই দিয়া বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি 'জনতা প্ৰেছ'ৰ সমূহ কৰ্মচাৰীলৈকো মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

সদৌ শেষত, সকলোৰে ওচৰত মোৰ অজানিত ভুল-ক্ৰটিৰ বাবে ক্ষমা-মাৰ্জনা বিচাৰি আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

**শ্ৰীকৈলাশ কলিতা।**

সম্পাদক, আলোচনী বিভাগ।

—:+:—

# THE JAWAHAR JYOTI

## JAWHARLAL NEHRU COLLEGE MAGAZINE

THIRTEENTH ISSUE

**1990-91**

# ENGLISH SECTION

Prof. Incharge,
*Sri Lakshi Kanta Sarmah*

Editor,
*Sri Kailash Kalita*

# English Section


| | | |
|---|---|---|
| The Twenty Seventh year of Jawaharlal Nehru College : | By Principal J. C. Nath | : 1 |
| Devaluation-Its Impact on Economy : | S. C. Talukdar | : 9 |
| Sociology and its Importnace in Modern Times : | Sri Praneswar Nath | : 13 |
| University Grants Commission | | : 17 |
| Present Teaching and Office Staff of the College : | | : 23 |